# ভাৰতৰ উচ্চতম ন্যায়ালয়

<u>লেখ আবেদন নং 16/1950</u>

<u>ৰায় প্ৰদানৰ তাৰিখ : 26 মে, 1950</u>

আবেদনকাৰীঃ ৰমেশ থাপ্পৰ

বনাম

প্ৰতিবাদী: মাদ্ৰাছ ৰাজ্য

বিচাৰপীঠ :

ফজল আলী, ছাইয়িদ

বিচাৰপীঠ :

ফজল আলী, ছাইয়িদ

কানিয়া, হিৰালাল (মুখ্য ন্যায়াধীশ)

শাস্ত্ৰী, এম. পতঞ্জলি

মহাজন, মেহৰ চান্দ

দাস, সুধি ৰঞ্জন

মুখাৰ্জী, বি.কে.

উদ্ধৃতি:

| | | | | |
|---|---|---|---|---|
| 1950 | AIR | 124 | 1950 | SCR 594 |

উদ্ধৃতিৰ তথ্যঃ

| | | | |
|---|---|---|---|
| F | 1950 SC | 129 | (26) |
| R | 1951 SC | 270 | (4) |
| E | 1951 SC | 318 | (25) |
| D | 1952 SC | 75 | (5, 16) |
| E | 1952 SC | 329 | (3, 4, 5) |
| R | 1953 SC | 252 | (31) |
| RF | 1953 SC | 384 | (5) |
| RF | 1957 SC | 620 | (3, 4, 5, 7) |
| RF | 1957 SC | 628 | (12, 16, 20, 21) |
| E&D | 1957 SC | 896 | (14) |
| RF | 1958 SC | 578 | (129) |
| F | 1959 SC | 395 | (13, 40) |
| R | 1959 SC | 725 | (8) |
| R | 1960 SC | 633 | (9, 16) |
| RF | 1961 SC | 1457 | (8) |
| RF | 1962 SC | 171 | (23) |
| R | 1962 SC | 305 | (29) |
| R | 1962 SC | 955 | (21) |
| R | 1962 SC | 1621 | (78, 108, 110, 132) |
| R | 1963 SC | 996 | (2, 5) |

| | | | |
|---|---|---|---|
| MV | 1966 SC | 740 | (48, 69) |
| RF | 1967 SC | 1110 | (16) |
| RF | 1967 SC | 1643 | (165,227) |
| D | 1969 SC | 903 | (23) |
| D | 1970 SC | 1923 | (12, 13) |
| F | 1971 SC | 2486 | (8,13, 14) |
| R | 1973 SC | 106 | (16) |
| RF | 1973 SC | 1461 | (1705) |
| RF | 1974 SC | 1389 | (247) |
| RF | 1977 SC | 908 | (23) |
| R | 1978 SC | 597 | (77) |
| RF | 1980 SC | 494 | (9) |
| RF | 1986 SC | 515 | (24, 33, 34) |
| R | 1986 SC | 872 | (74) |
| RF | 1989 SC 1 | 90 | (11) |

**আইনঃ**

ভাৰতৰ সংবিধান, অনুচ্ছেদ নং 19, দফা (1) (a) আৰু (2), 32 নং অনুচ্ছেদৰ অধীনত আবেদন--প্ৰাথমিক আপত্তি—বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ মৌলিক অধিকাৰ--ৰাজহুৱা শৃংখলা আৰু ৰাজহুৱা সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে নিষেধাজ্ঞা আৰোপ কৰা আইন --বৈধতা-আইনৰ বিচ্ছিন্নতা--মাদ্ৰাছ ৰাজহুৱা শৃংখলা ৰক্ষণাবেক্ষণ আইন (1949 চনৰ XXIII), S. 9 (1-A)--বৈধতা।

**মূলটোকা :**

আদালতৰ পূৰ্ণপীঠে এই মত পোষণ কৰে -(i) (এক প্ৰাৰম্ভিক আপত্তি খাৰিজ কৰি) সংবিধান অনুসৰি উচ্চতম ন্যায়ালয় মৌলিক অধিকাৰ সুৰক্ষিত কৰাৰ বাবে দায়বদ্ধ। উচ্চতম ন্যায়ালয়ে এই অধিকাৰসমূহৰ সুৰক্ষা বিচৰা আবেদনসমূহ বিবেচনা কৰিবলৈ অস্বীকাৰ কৰিব নোৱাৰে, আনকি এনে আবেদনবোৰ বিষয়টোৰ ওপৰত অধিকাৰৰ ক্ষমতা থকা উচ্চ ন্যায়ালয়লৈ নোযোৱাকৈ পোনপটীয়াকৈ উচ্চতম ন্যায়ালয়লৈ প্ৰেৰণ কৰিলেও।

উৰ্কুহাৰ্ট বনাম ব্ৰাউন (205 U.S. 179) আৰু হুনী বনাম কোলোহান (294 U.S. 103) পৃথক।

(ii) বাক আৰু মত প্ৰকাশৰ স্বাধীনতাত 'ধাৰণা' ভাগ-বতৰা কৰাৰ অধিকাৰ অন্তৰ্ভুক্ত হৈ থাকে, আৰু এই স্বাধীনতা সেই 'ধাৰণা' সমূহ প্ৰচাৰ কৰাৰ অধিকাৰৰ দ্বাৰা সুৰক্ষিত।

এক পাক্ষিক জেকছন (96 U.S. 727) আৰু লাভেল বনাম চিটি অৱ গ্ৰিফিন (303 U.S. 444) উল্লেখ কৰিছে।

**ন্যা. কানিয়া (মুখ্য ন্যায়াধীশ), ন্যা. পতঞ্জলি শাস্ত্ৰী, ন্যা. মেহৰ চান্দ মহাজন, ন্যা. মুখাৰ্জী আৰু ন্যা. দাস এ মত পোষণ কৰে -- (ন্যা. ফজল আলীয়ে ভিন্নমত পোষণ কৰে):**

(i) নিন্দা, অপবাদ ইত্যাদিৰ উপৰিও, যদিহে বাক আৰু মত প্ৰকাশৰ স্বাধীনতা নিয়ন্ত্ৰণ কৰা কোনো আইন কেৱল ৰাষ্ট্ৰৰ নিৰাপত্তাক ক্ষতিগ্ৰস্ত কৰিব পৰা বা উফৰাই পেলাব পৰা কাৰ্য্যৰ বিৰুদ্ধে নিৰ্দেশিত নহয়, তেনেক্ষেত্ৰত এনে আইন সংবিধানৰ 19 নং অনুচ্ছেদৰ দফা (2)ৰ অধীনত সংৰক্ষণৰ ভিতৰত পৰিব নোৱাৰে, যদিওবা এই আইনে আৰোপ কৰিব বিচৰা নিষেধাজ্ঞা বা প্ৰতিবন্ধকতাসমূহ সাধাৰণতে ৰাজহুৱা শৃংখলাৰ স্বাৰ্থত জাৰি কৰা হ'ব পাৰে। মাদ্ৰাছ ৰাজহুৱা শৃংখলা ৰক্ষণাবেক্ষণ আইন (1949 চনৰ XXIII), S. 9 (1-A) ত

ৰাজহুৱা সুৰক্ষাৰ স্বাৰ্থত বা ৰাজহুৱা শৃংখলা বজাই ৰখাৰ স্বাৰ্থত প্ৰতিবন্ধকতা আৰোপ কৰাৰ অনুমতি দিয়া হৈছে। কিন্তু এই ধাৰাটো দফা (2)ত উল্লেখ কৰা অনুমোদিত নিষেধাজ্ঞাৰ পৰিসৰৰ বাহিৰলৈ গৈছে আৰু সেয়েহে ইয়াক অকাৰ্য্যকৰী আৰু অসাংবিধানিক বুলি গণ্য কৰা হয়।

595

(ii) যেতিয়া আইন এখন এনেদৰে প্ৰনয়ণ কৰা হয় যিয়ে মৌলিক অধিকাৰৰ ওপৰত প্ৰতিবন্ধকতা বা বাধা আৰোপ কৰিবলৈ অনুমতি বা কৰ্তৃত্ব প্ৰদান কৰে, কিন্তু আইনখনৰ ভাষাৰ পৰিসৰ ইমানেই বহল যে ই সাংবিধানিক আৰু অসাংবিধানিক দুয়োটা বাধাকে সামৰি ল'ব পাৰে, তেনেক্ষেত্ৰত আইনখন বাহাল ৰাখিব নোৱাৰি, আনকি সাংবিধানিক সীমাৰ ভিতৰত থাকিব পৰা অংশবোৰৰ বাবেও। ইয়াৰ কাৰণ হৈছে আইনৰ সাংবিধানিক আৰু অসাংবিধানিক দিশবোৰ পৃথক কৰা সম্ভৱ নহয়। যেতিয়ালৈকে সংবিধানে অনুমতি নিদিয়া উদ্দেশ্যত এই আইনখন ব্যৱহাৰ কৰিব পৰাৰ সম্ভাৱনা থাকে, তেতিয়ালৈকে আইনখন সম্পূৰ্ণ অসাংবিধানিক আৰু অকাৰ্য্যকৰী বুলি ধৰিব লাগিব। সেয়েহে ধাৰা 9 (1-A) সম্পূৰ্ণৰূপে অসাংবিধানিক আৰু অকাৰ্য্যকৰী ।

**ফজল আলী, ন্যা.**-- ধাৰা 9 (1-A)ৰ দ্বাৰা অনুমোদিত নিষেধাজ্ঞাসমূহ সংবিধানৰ 19 নং অনুচ্ছেদৰ দফা (2)ত উল্লেখ কৰা বিধানসমূহৰ পৰিসৰৰ ভিতৰত আছে আৰু সেয়েহে অসাংবিধানিক বা অকাৰ্য্যকৰী নহয়। (1)

ব্ৰিজ ভূষণ আৰু অন্য এজন বনাম ৰাজ্য [1950] S.C.R। 605 উল্লেখ কৰিছে।

**ৰায় :**

মূল ক্ষেত্ৰাধিকাৰ : আবেদন নং XVI , 1950 চন। সংবিধানৰ 32 নং অনুচ্ছেদৰ অধীনত writ of prohibition and certiorariৰ বাবে আবেদন। প্ৰাসঙ্গিক তথ্যসমূহ ৰায়ত আলোচনা কৰা হৈছে।

চি. আৰ. পট্টভি ৰমন, আবেদনকাৰী পক্ষৰ হৈ ।

কে. ৰাজা আয়াৰ, মাদ্ৰাছৰ মহাধিবক্তা (গণপতি আয়াৰ ৰ সৈতে) প্ৰতিবাদী পক্ষৰ হৈ ।

1950 চন। 26 মে '। ন্যা. কানিয়া (মুখ্য ন্যায়াধীশ), ন্যা. মেহৰ চান্দ মহাজন, ন্যা. মুখাৰ্জী আৰু ন্যা. দাসৰ ৰায় ন্যা. পতঞ্জলি শাস্ত্ৰীৰ দ্বাৰা প্ৰদান কৰা হৈছে।

ন্যা. ফজল আলীয়ে এক পৃথক ৰায় প্ৰদান কৰিছে।

**ন্যা. পতঞ্জলি শাস্ত্ৰী** --আবেদনকাৰীজন হৈছে শেহতীয়াকৈ আৰম্ভ কৰা 'ক্ৰছ ৰোডছ' নামৰ এখন সাপ্তাহিক ইংৰাজী আলোচনীৰ মুদ্ৰক, প্ৰকাশক আৰু সম্পাদক, যিখন আলোচনী ব'ম্বেত মুদ্ৰিত আৰু প্ৰকাশিত। এই গোচৰৰ প্ৰতিবাদী মাদ্ৰাজ চৰকাৰে 'মাদ্ৰাছ ৰাজহুৱা শৃংখলা ৰক্ষণাবেক্ষণ আইন,1949' (যাক ইয়াৰ পিছত 'বিবাদিত আইন' বুলি উল্লেখ কৰা হব)ৰ ধাৰা 9 (1-A)ৰ অধীনত মাদ্ৰাজ চৰকাৰৰ ওপৰত ন্যস্ত কৰ্তৃত্ব ব্যৱহাৰ কৰি 1950 চনৰ 1 মাৰ্চ তাৰিখে আদেশ নং: M.S. 1333 জাৰি কৰিছিল, যি আদেশৰ জৰিয়তে ৰাজ্যখনত আলোচনীখনৰ প্ৰৱেশ আৰু বিতৰণত নিষেধাজ্ঞা আৰোপ কৰিছিল।

এই আদেশ ফৰ্ট ছেইণ্ট জৰ্জ গেজেটত প্ৰকাশ পাইছিল আৰু জাননীখন নিম্নলিখিত ধৰণে লিখা হৈছিল :--

" মাদ্ৰাছ ৰাজহুৱা শৃংখলা ৰক্ষণাবেক্ষণ আইন, 1949' (মাদ্ৰাজ আইন XXIII, 1949)ৰ ধাৰা 9 (1-A)ৰ দ্বাৰা মাদ্ৰাজ চৰকাৰৰ ওপৰত ন্যস্ত ক্ষমতা ব্যৱহাৰ কৰি, মাদ্ৰাজৰ মহামান্য ৰাজ্যপাল মহোদয়ে, জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰা আৰু শৃংখলা বজাই ৰখাটো প্ৰয়োজনীয় বুলি বিবেচনা কৰি এক নিষেধাজ্ঞা জাৰি

কৰিছে। ফ'ৰ্ট চেণ্ট জৰ্জ গেজেটত প্ৰকাশ পোৱাৰ তাৰিখৰ পৰা কাৰ্যকৰী হোৱা এই নিষেধাজ্ঞাই 'ক্ৰছ ৰোডছ' নামৰ বাতৰি কাকতখনৰ মাদ্ৰাজ ৰাজ্য বা ইয়াৰ যিকোনো অংশৰ ভিতৰত প্ৰৱেশ, প্ৰচলন, বিক্ৰী বা বিতৰণত বাধা আৰোপ কৰে, যিখন হৈছে বম্বেৰ পৰা প্ৰকাশিত এখন ইংৰাজী সাপ্তাহিক। "

আবেদনকাৰীয়ে দাবী কৰে যে উক্ত আদেশটোৱে সংবিধানৰ অনুচ্ছেদ 19 (1)(A)ৰ দ্বাৰা প্ৰদান কৰা বাক স্বাধীনতা আৰু মত প্ৰকাশৰ আবেদনকাৰীৰ মৌলিক অধিকাৰ উলংঘন কৰিছে আৰু আৰম্ভণিতে উল্লেখ কৰা তেওঁৰ মৌলিক অধিকাৰৰ সৈতে অসঙ্গতিপূৰ্ণ হোৱাৰ বাবে তেওঁ বিবাদিত আইনখনৰ ধাৰা 9 (1-A)ৰ বৈধতা সংবিধানৰ অনুচ্ছেদ 13 (1)ৰ অধীনত বাতিল বা অসাৰ প্ৰতিপন্ন হোৱা বুলি প্ৰত্যাহ্বান জনাইছে।

ব্ৰিজ ভূষণ বনাম দিল্লী ৰাজ্যৰ শীৰ্ষক মূলটোকা দ্ৰষ্টব্য। পৃষ্ঠা 605 নিম্নোক্ত

596

প্ৰতিবাদীসকলক প্ৰতিনিধিত্ব কৰি মাদ্ৰাজৰ মহাধিবক্তাই প্ৰাথমিক আপত্তি উত্থাপন কৰিছে। তেওঁ 32 নং অনুচ্ছেদৰ অধীনত আবেদনখন বিবেচনা কৰাৰ এই আদালতৰ অধিকাৰক্ষেত্ৰক লৈ প্ৰশ্ন উত্থাপন কৰা নাই, বৰঞ্চ প্ৰথম পদক্ষেপ হিচাপে আবেদনকাৰীয়ে এই আদালতলৈ পোনপটীয়াকৈ সকাহৰ বাবে অহাৰ সিদ্ধান্তক লৈ প্ৰশ্ন উত্থাপন কৰিছে। তেওঁ যুক্তি দৰ্শায় যে সুশৃংখল প্ৰক্ৰিয়া হিচাপে আবেদনকাৰীয়ে প্ৰথমে মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ কাষ চাপিব লাগে, যিহেতু সংবিধানৰ 226 নং অনুচ্ছেদৰ অধীনত মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ বিষয়টো সন্দৰ্ভত সিদ্ধান্ত  লোৱাৰ সমান্তৰাল বা সমৱৰ্তী ক্ষেত্ৰাধীকাৰ আছে। তেওঁ উদ্ধৃতি দি ফৌজদাৰী প্ৰক্ৰিয়া বিধিৰ ধাৰা 435-ৰ অধীনত পুনৰীক্ষণ আবেদন (ফৌজদাৰী), দেৱানী প্ৰক্ৰিয়া বিধিৰ ধাৰা 24ৰ অধীনত জামিনৰ আবেদন আৰু স্থানান্তৰৰ বাবে আবেদনৰ দৰে উদাহৰণৰ কথা উল্লেখ কৰে, য'ত কিছুমান বিষয়ত উচ্চ ন্যায়ালয় আৰু নিম্ন আদালত দুয়োকে সমৱৰ্তী অধিকাৰ প্ৰদান

কৰা হয়। এনে ক্ষেত্ৰত পক্ষসমূহে উচ্চ ন্যায়ালয়ৰ কাষ চপাৰ পূৰ্বে প্ৰথমে নিম্ন আদালতৰ পৰা সকাহ বিচৰাটো পৰম্পৰাগত প্ৰথা হিচাপে প্ৰতিষ্ঠা হৈছে। তেওঁ সম্ৰাট বনাম বিশেশ্বৰ প্ৰসাদ সিনহা (1) গোচৰৰ কথা উল্লেখ কৰে, য'ত ফৌজদাৰী পুনৰীক্ষণ গোচৰত একেধৰণৰ প্ৰথা অনুসৰণ কৰা হৈছিল। তেওঁ উৰ্কুহাৰ্ট বনাম ব্ৰাউন (2) আৰু হুনি বনাম কোলোহান (3)ৰ দৰে কিছুমান আমেৰিকান গোচৰৰ কথাও উল্লেখ কৰে, যিয়ে দেখুৱাইছিল যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ উচ্চতম ন্যায়ালয়ে সাধাৰণতে উচ্চতম ন্যায়ালয়ত Habeas Corpus বা Certiorari দৰে প্ৰতিকাৰ বিবেচনা কৰাৰ আগতে ফেডাৰেল আৰু প্ৰাদেশিক আদালত উভয়তে আবেদনকাৰীৰ বাবে যি ন্যায়িক সমাধান বা প্ৰতিকাৰৰ বাট মুকলি থাকে, আবেদনকাৰীয়ে সেয়া আগতে শেষ কৰিব লাগে। আমাৰ মতামত এই যে বিদ্বান মহাধিবক্তাই উল্লেখ কৰা উদাহৰণ বা তেওঁ উল্লেখ কৰা আমেৰিকাৰ সিদ্ধান্তবোৰ ভাৰতীয় সংবিধানৰ 32 নং অনুচ্ছেদত প্ৰদান কৰা প্ৰতিকাৰৰ সৈতে বাস্তৱিকতে অনুৰূপ নহয়। এই অনুচ্ছেদে এইখন আদালতক কৰ্তৃত্ব প্ৰদানতকৈও কিছু অধিক কৰে , যিদৰে অনুচ্ছেদ নং 226 য়ে উচ্চ ন্যায়ালয়ৰ বাবে কৰে সংবিধানৰ খণ্ড নং III-ত বৰ্ণিত অধিকাৰসমূহ বজায় ৰখাৰ উদ্দেশ্যে বা উচ্চ ন্যায়ালয়ৰ বৃহত্তৰ ক্ষেত্ৰাধীকাৰৰ অন্তৰ্গত অন্য কোনো কাৰণে নিৰ্দিষ্ট ৰিট জাৰি কৰাৰ বাবে।

(1) I.L.R. 56 All. 158. (2) 205 U. S. 179. (3) 294 U.S. 103.



তেনে ক্ষেত্ৰত এই অনুচ্ছেদটোৰ স্থান 131 নং অনুচ্ছেদ আৰু 139 নং অনুচ্ছেদৰ মাজত উপযুক্ত হলহেঁতেন যিয়ে সেই অধিকাৰক্ষেত্ৰক সংজ্ঞায়িত কৰে। 32 নং অনুচ্ছেদে সেই অধিকাৰসমূহ বলবৎ কৰাৰ বাবে "নিশ্চিত" প্ৰতিকাৰৰ ব্যৱস্থা কৰে, আৰু এই প্ৰতিকাৰমূলক অধিকাৰসমূহ তৃতীয় খণ্ডত অন্তৰ্ভুক্ত হৈ নিজেই এক মৌলিক অধিকাৰ হৈ পৰে। এই ন্যায়ালয় গঠন কৰা

হৈছে মৌলিক অধিকাৰৰ ৰক্ষক আৰু নিশ্চয়তা প্ৰদানকাৰী হিচাবে, আৰু এই ন্যায়ালয়ৰ  ওপৰত ন্যস্ত দায়িত্বৰ সৈতে  সংগতি ৰাখি, এনে অধিকাৰৰ উলংঘাৰ পৰা সুৰক্ষা বিচৰা আবেদনসমূহ বিবেচনা কৰিবলৈ এই ন্যায়ালয়ে অস্বীকাৰ কৰিব নোৱাৰে। আমেৰিকাৰ সংবিধানত এনেধৰণৰ বা একেধৰণৰ কোনো ব্যৱস্থা নাই আৰু আমি বিবেচনা নকৰোঁ যে আমেৰিকাৰ সিদ্ধান্তবোৰ সঠিক।

এতিয়া বিষয়টোৰ গুণাগুণৰ ওপৰত গুৰুত্ব দিলে এই কথাত  কোনো সন্দেহ থাকিব নোৱাৰে যে বাক আৰু মত প্ৰকাশৰ স্বাধীনতাত 'ধাৰণা' ভাগ-বতৰা কৰাৰ অধিকাৰ অন্তৰ্ভুক্ত হৈ থাকে, আৰু এই স্বাধীনতা সেই 'ধাৰণা' সমূহ প্ৰচাৰ কৰাৰ অধিকাৰৰ দ্বাৰা সুৰক্ষিত।

"প্ৰচাৰৰ স্বাধীনতা প্ৰকাশৰ স্বাধীনতাৰ সমানেই প্ৰয়োজনীয়। দৰাচলতে প্ৰচাৰ অবিহনে প্ৰকাশ কাৰ্য্য মূল্যহীন।" এক পাক্ষিক জেকছন (1) লাভইল বনাম চিটি অৱ গ্ৰীফিন (সমূহ)ও চাওক।

সেয়েহে এইটো একেবাৰে স্পষ্ট যে মাদ্ৰাজ চৰকাৰৰ এই আদেশে অনুচ্ছেদ নং 19(1)(a) ৰ অধীনত আবেদনকাৰীৰ মৌলিক অধিকাৰ উলংঘা কৰিব, যদিহে বিবাদিত আইনখনৰ অনুচ্ছেদ নং 19ৰ দফা (2)ত উল্লেখ কৰা ব্যতিক্ৰমসমূহৰ দ্বাৰা বিবাদিত আইনখনৰ ধাৰা 9(1-A)ক ন্যায্যতা প্ৰদান কৰিব নোৱাৰি, যিটো ধাৰাৰ অধীনত মাদ্ৰাজ চৰকাৰৰ এই আদেশ জাৰি কৰা হৈছিল। অনুচ্ছেদ নং 19(2) য়ে, (মানহানি আৰু নিন্দা সম্পৰ্কীয় আইনৰ বিৱৰণ বাদ দি যিবোৰ এই গোচৰৰ বাবে প্ৰাসংগিক নহয়) ৰাষ্ট্ৰৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা বিষয়সমূহৰ সম্পৰ্কে যিকোনো "বৰ্তমানে বলবৎ থকা আইন"ৰ প্ৰভাৱ সংৰক্ষণ কৰে । গতিকে গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ'ল যে বিবাদিত আইনখন, বিশেষকৈ আইনখনৰ ধাৰা 9(1-A) যিয়ে প্ৰাদেশিক চৰকাৰক "ৰাজহুৱা সুৰক্ষাৰ স্বাৰ্থত আৰু ৰাজহুৱা শৃংখলা বজাই ৰখাৰ বাবে, মাদ্ৰাজ বা ইয়াৰ অংশত নথি-পত্ৰৰ প্ৰৱেশ,  প্ৰচলন,  বিক্ৰী বা বিতৰণত বাধা বা নিয়ন্ত্ৰণ কৰিবলৈ ক্ষমতা প্ৰদান

কৰে,” এনে এখন আইন হয় নে যিয়ে "ৰাষ্ট্ৰৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা বা ইয়াক উফৰাই পেলোৱাৰ লক্ষ্য থকা যিকোনো বিষয়ৰ সৈতে জড়িত আইন" হিচাপে যোগ্যতা অৰ্জন কৰে। (1) 96 U.S. 727. (2) 303

U.S, 444.

598

এই বিবাদিত আইনখন প্ৰাদেশিক বিধানসভাই গৃহীত কৰে আৰু বিধানসভাই ইয়াৰ কৰ্তৃত্ব লাভ কৰিছে ‘ভাৰত চৰকাৰ আইন, 1935’ৰ 100 নং ধাৰাৰ পৰা, সেই আইনখনৰ সপ্তম অনুসূচীৰ দ্বিতীয় তালিকাৰ 1 নং প্ৰবৃষ্টিৰ সৈতে সংগতি ৰাখি, য'ত "ৰাজহুৱা শৃংখলা"কে ধৰি বিভিন্ন বিষয় সামৰি লোৱা হৈছে। এতিয়া "ৰাজহুৱা শৃংখলা" হৈছে এক বহল অৰ্থৰ অভিব্যক্তি আৰু ই সূচায় ৰাজনৈতিক সমাজৰ সদস্যসকলৰ মাজত বিৰাজ কৰা সেই প্ৰশান্তিৰ অৱস্থা যিটো তেওঁলোকে প্ৰতিষ্ঠা কৰা চৰকাৰৰ দ্বাৰা বলবৎ কৰা আভ্যন্তৰীণ নিয়মাৱলীৰ ফলস্বৰূপে উদ্ভৱ। যদিও ধাৰা 9(1-A)ত "ৰাজহুৱা সুৰক্ষা সুৰক্ষিত কৰা" আৰু "ৰাজহুৱা শৃংখলা বজাই ৰখা"ক পৃথক উদ্দেশ্য হিচাপে উল্লেখ কৰা হৈছে, তথাপিও এইটো বুজিব লাগিব যে "ৰাজহুৱা সুৰক্ষা"ৰ ধাৰণা "ৰাজহুৱা শৃংখলা"ৰ বহল ধাৰণাটোৰ অন্তৰ্ভুক্ত। যদিহে "ৰাজহুৱা সুৰক্ষা"ৰ অৰ্থ হ'ল "ৰাজহুৱা শৃংখলা"ৰ পৰা সম্পূৰ্ণ পৃথক কিবা এটা, তেন্তে মাদ্ৰাজ বিধানসভাৰ ৰাজহুৱা সুৰক্ষা সম্পৰ্কীয় এই বিধান প্ৰণয়ন কৰাৰ কৰ্তৃত্ব নাথাকিলহেঁতেন। এই কথাটোৰ প্ৰতিবাদীসকলৰ দ্বাৰা প্ৰতিদ্বন্দ্বিতা কৰা হোৱা নাছিল। কিন্তু এইবুলি দাবি কৰা হৈছে যে আইন–শৃংখলাৰ সৈতে জড়িত বিবাদিত আইনখনত "ৰাজহুৱা সুৰক্ষা” শব্দটোৱে প্ৰদেশখনৰ নিৰাপত্তাক সূচায় আৰু ই ফলস্বৰূপে 19(2) অনুচ্ছেদত সংজ্ঞায়িত "ৰাষ্ট্ৰৰ নিৰাপত্তা"ক বুজায়। 12 নং অনুচ্ছেদত দিয়া "ৰাষ্ট্ৰ"ৰ সংজ্ঞাত অন্যান্য বিষয়ৰ লগতে পূৰ্বৰ প্ৰতিখন প্ৰদেশৰ চৰকাৰ আৰু বিধানসভাকো অন্তৰ্ভুক্ত কৰা হৈছে। এই দৃষ্টিভংগীৰ সমৰ্থনত ৰেক্স বনাম

ৱৰ্মউড স্ক্ৰাবছ কাৰাগাৰ (1) গোচৰৰ উদ্‌ধৃতি দিয়া হৈছে য'ত এই মত পোষণ কৰা হৈছে যে ৰাজ্যৰ প্ৰতিৰক্ষা (দৃঢ়ীকৰণ) আইন, 1914-ৰ ধাৰা 1-ত "জনসাধাৰণৰ সুৰক্ষা আৰু ৰাজ্যখনৰ প্ৰতিৰক্ষা সুৰক্ষিত কৰাৰ বাবে" এই অভিব্যক্তিটো দেশখনক বাহ্যিক ভাবুকিৰ পৰা ৰক্ষা কৰাত সীমাবদ্ধ নহয়, বৰঞ্চ বিদ্ৰোহৰ দৰে আভ্যন্তৰীণ অশান্তিৰ বিৰুদ্ধে সুৰক্ষাও সামৰি লোৱা হৈছে। এই সিদ্ধান্তটো প্ৰতিবাদীসকলৰ বাবে বৰ বেছি সহায়ক নহয়, কিয়নো সেইখন আইনত "ৰাজহুৱা সুৰক্ষা" শব্দটো যি প্ৰেক্ষাপটত ব্যৱহৃত হৈছে তাত নিঃসন্দেহে ৰাজ্যখনৰ নিৰাপত্তাই লক্ষ্য হয় ।

(1) L.R. [1920] 2 K.B. 805.

599

আমাৰ মনোযোগ "ৰাজহুৱা সুৰক্ষা" অভিব্যক্তিটোৰ কোনো সংজ্ঞাৰ প্ৰতি আকৰ্ষিত হোৱা নাই আৰু এইটোও প্ৰতীয়মান হোবা নাই যে শব্দসমূহে কলাসুলভ শব্দ হিচাবে অন্য কিবা কাৰিকৰী অৰ্থ বহন কৰিছে।

"ৰাজহুৱা সুৰক্ষা" ৰ অৰ্থ হৈছে সাধাৰণতে জনসাধাৰণৰ সুৰক্ষা বা বিপদৰ পৰা জনসাধাৰণৰ মুক্তি। সেই অৰ্থত, যিয়ে জনস্বাস্থ্যৰ প্ৰতি বিপদ প্ৰতিৰোধ কৰে, তাক ৰাজহুৱা সুৰক্ষা সুৰক্ষিত কৰা বুলি গণ্য কৰা হ'ব। অৱশ্যে অভিব্যক্তিটোৰ অৰ্থ প্ৰসংগ অনুসৰি ভিন্ন হব । ভাৰতীয় দণ্ডবিধি আইনত অপৰাধৰ প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি শ্ৰেণীবিভাজন কৰি বিভিন্ন অধ্যায়ত ভাগ কৰা হৈছে। উদাহৰণস্বৰূপে, চতুৰ্দশ অধ্যায়ত "জনস্বাস্থ্য, সুৰক্ষা, সুবিধা, শালীনতা আৰু নৈতিকতাক প্ৰভাৱিত কৰা অপৰাধসমূহ" সামৰি লোৱা হৈছে। ইয়াত ৰাজহুৱা পথত অসাৱধানতাৰে গাড়ী চলোৱা (ধাৰা 279) আৰু জাহাজৰ অসাৱধানতাৰে চলাচল (ধাৰা 280)ৰ দৰে কাৰ্য্যক ৰাজহুৱা সুৰক্ষাৰ বিৰুদ্ধে অপৰাধ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ বিপৰীতে ষষ্ঠ অধ্যায়ত "ৰাষ্ট্ৰৰ বিৰুদ্ধে অপৰাধ"ৰ বিষয়ে আলোচনা কৰা হৈছে, য'ত ৰাষ্ট্ৰৰ নিৰাপত্তাক ক্ষতিগ্ৰস্ত বা ভাবুকি কঢ়িয়াই অনাৰ লক্ষ্যৰে কৰা কাৰ্য্য জড়িত হৈ আছে। এই অধ্যায়ত ৰাণীৰ

বিৰুদ্ধে যুদ্ধ চলোৱা (ধাৰা 121) আৰু দেশদ্ৰোহ (ধাৰা 124-ক)ৰ দৰে অপৰাধ অন্তৰ্ভুক্ত কৰা হৈছে। অষ্টম অধ্যায়ত "ৰাজহুৱা শান্তিৰ বিৰুদ্ধে অপৰাধ"ৰ সংজ্ঞা দিয়া হৈছে, ইয়াত অবৈধ সমাৰেশ (ধাৰা 141), দাঙ্গা (ধাৰা 146), বিভিন্ন সামাজিক গোটৰ মাজত শত্ৰুতা প্ৰসাৰ কৰা (ধাৰা 153-A), আৰু কাজিয়া (ধাৰা 159) আদি কাৰ্য্যক সামৰি লোৱা হৈছে, যিয়ে ৰাজহুৱা শান্তি আৰু শৃংখলা বিঘ্নিত কৰে। আইন-শৃংখলা বজাই ৰখা সম্পৰ্কীয় আইন এখনত "ৰাজহুৱা সুৰক্ষা সুৰক্ষিত কৰা"ত জনস্বাস্থ্য সুৰক্ষিত কৰা বিষয়টো বিশেষভাৱে অন্তৰ্ভুক্ত নহ'বও পাৰে। বৰঞ্চ ইয়াৰ অৰ্থ হ'ব পাৰে  ৰাজহুৱা পথত অসাৱধানতাৰে গাড়ী চলোৱাৰ দৰে পৰিস্থিতিত বা তেনেধৰণৰ অন্যান্য পৰিস্থিতিত জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰা। জৰুৰী নহয়  যে ৰাষ্ট্ৰৰ নিৰাপত্তা সুৰক্ষিত কৰাৰ দৰে বিষয়হে অন্তৰ্ভুক্ত হ'ব লাগিব। বিবাদিত আইনখনে যি উদ্দেশ্যই সাধন কৰিব নিবিচাৰক কিয় অথবা আইনখনৰ প্ৰণয়নকাৰীসকলে যি উদ্দেশ্যই আগত ৰাখি আইনখন প্ৰণয়ন নকৰক  কিয় , যদিহে আইনখনত ইয়াৰ প্ৰয়োগ সীমিত কৰা নিৰ্দিষ্ট ভাষা নাথাকে, ইয়াৰ প্ৰয়োগ কেৱল ৰাষ্ট্ৰৰ নিৰাপত্তাৰ প্ৰতি গুৰুতৰ ভাবুকি কঢ়িয়াই অনা কাৰ্য্যতে সীমাবদ্ধ নহয়।

600

তদুপৰি, এই আইনখন বলবৎ কৰাৰ বাবে কৰ্তৃত্বপ্ৰাপ্ত সকলে ৰাষ্ট্ৰৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি সৃষ্টি কৰা আৰু নকৰা সকলৰ মাজত পাৰ্থক্য ৰাখিব বুলি কোনো নিশ্চয়তা নাই। 'ভাৰত চৰকাৰ আইন, 1935'ত ক'তো "ৰাষ্ট্ৰৰ নিৰাপত্তা" অভিব্যক্তি ব্যৱহাৰ কৰা হোৱা নাই, যদিও ই চৰকাৰক উফৰাই পেলোৱাৰ উদ্দেশ্যে কৰা হিংসাত্মক অপৰাধৰ মোকাবিলা কৰাৰ বাবে ধাৰা 57 ৰ অধীনত ব্যৱস্থা কৰিছে । ৰাজহুৱা শৃংখলা বজাই ৰখাকে ধৰি আইন-শৃংখলা বৰ্তাই ৰখাৰ প্ৰশাসনীয় দায়িত্ব ৰাইজে নিৰ্বাচিত কৰা এজন মন্ত্ৰীক দিয়া হৈছে। ইফালে, "চৰকাৰক উৎখাত কৰাৰ উদ্দেশ্যে কৰা হিংসাত্মক অপৰাধ" সংঘটিত কৰি বা

কৰিবলৈ চেষ্টা কৰি "প্ৰদেশৰ শান্তি বা শান্তি বিঘ্নিত কৰা" ব্যক্তিসকলক প্ৰতিহত কৰাৰ দায়িত্ব ৰাজ্যপালক দিয়া হৈছে। ঠিক তেনেদৰে, সংবিধানৰ 352 নং অনুচ্ছেদত ৰাষ্ট্ৰপতিক জৰুৰীকালীন অৱস্থাৰ ঘোষণা জাৰি কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছে যদিহে তেওঁ নিশ্চিত হয় যে "যুদ্ধ, বাহ্যিক আগ্ৰাসন বা আভ্যন্তৰীণ অস্থিৰতাৰ বাবে ভাৰত বা ইয়াৰ ভূখণ্ডৰ যিকোনো অংশৰ নিৰাপত্তা বিপদাপন্ন হৈছে।" এই ব্যৱস্থাবোৰে স্বীকাৰ কৰে যে ৰাজহুৱা শান্তি বা শান্তিৰ ব্যাঘাত ইমান গুৰুতৰ হ'ব পাৰে যে সেইবোৰে ৰাজ্যখনৰ নিৰাপত্তা বিপদাপন্ন কৰিব পাৰে।

ষ্টিফেনে তেওঁৰ 'ইংলেণ্ডৰ ফৌজদাৰী আইন' নামৰ নামৰ গ্ৰন্থখনত লিখিছে," বেআইনী সমাবেশ, দাঙ্গা, বিদ্ৰোহ, দেশদ্ৰোহ, যুদ্ধ চলোৱা আদি অপৰাধৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আছে আৰু ইয়াক স্পষ্ট সীমাৰেখাৰে নিৰ্দিষ্টভাৱে পৃথক কৰিব নোৱাৰি। এই সকলোবোৰৰে এটা উমৈহতীয়া উপাদান আছে: সেইবোৰে হয় প্ৰকৃত শক্তিৰ প্ৰয়োগৰ দ্বাৰা নতুবা ইয়াৰ প্ৰদৰ্শন বা ভাবুকিৰ দ্বাৰা সভ্য সমাজৰ সাধাৰণ শান্তি বিঘ্নিত কৰে।" এই সকলোবোৰ অপৰাধে ৰাজহুৱা শান্তি বিঘ্নিত কৰে আৰু মূলতঃ ৰাজহুৱা শৃংখলাৰ বিৰুদ্ধে অপৰাধ যদিও ইয়াৰ পাৰ্থক্য কেৱল মাত্ৰাতহে। কিন্তু শাস্তিৰ কঠোৰতা নিৰ্ণয়ৰ উদ্দেশ্যে ভাৰতীয় দণ্ডবিধিৰ ৰূপৰেখা অনুসৰি তেওঁলোকক বিভিন্ন উপশ্ৰেণীত ভাগ কৰিব পাৰি।

(1) Vol. II, p. 242.
601

একেদৰে সংবিধানৰ 19(1) অনুচ্ছেদত তালিকাভুক্ত মৌলিক অধিকাৰ সীমিত কৰিব পৰা আইনসমূহৰ মাপকাঠী স্থাপন কৰাৰ সময়ত ৰাজহুৱা শৃংখলাৰ বিৰুদ্ধে অপৰাধসমূহক এক বিশেষ শ্ৰেণীত পৃথক কৰা হয়। এইবোৰ চৰকাৰক অৱমূল্যায়ণ বা উফৰাই পেলোৱাৰ লক্ষ্যৰে কৰা অপৰাধ, আৰু ইয়াক বাধা দিয়াটোৱেই হৈছে বাক আৰু মত প্ৰকাশৰ স্বাধীনতাক বাধা দিয়াৰ একমাত্ৰ

বৈধ কাৰণ। অৰ্থাৎ বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ অধিকাৰ সীমিত কৰাটো তেতিয়াহে ন্যায্য হব পাৰে যেতিয়া ৰাষ্ট্ৰৰ ভেটিটোকে সুৰক্ষিত কৰা বা ইয়াৰ উফৰাই পেলোৱাত বাধা দিয়াৰ কথা আহি পৰিব। আনহাতে, শান্তিপূৰ্ণভাৱে সমাৱেশৰ অধিকাৰ (উপ-দফা b) আৰু সংগঠনৰ  অধিকাৰ (উপদফা c)ক 19(3) আৰু (4) অনুচ্ছেদৰ অধীনত "ৰাজহুৱা শৃংখলা"ৰ স্বাৰ্থত বাধা দিব পাৰি, যিহেতু  সেই দফাসমূহত ৰাষ্ট্ৰৰ নিৰাপত্তা অন্তৰ্ভুক্ত কৰা হৈছে। সংবিধানৰ সপ্তম অনুসূচীৰ তৃতীয় তালিকাৰ (সমবৰ্তী তালিকা) প্ৰবিষ্টি  3-ত এই পাৰ্থক্য স্পষ্ট। ইয়াত আইন প্ৰণয়নৰ বাবে পৃথক বিষয় হিচাপে "ৰাষ্ট্ৰৰ নিৰাপত্তা" আৰু "ৰাজহুৱা শৃংখলা বজাই ৰখা"ৰ কথা উল্লেখ কৰা হৈছে। সংবিধানে ৰাজহুৱা শৃংখলা বা শান্তিৰ ক্ষেত্ৰখনত এডাল সীমাৰেখা অংকন কৰাৰ নিৰ্দেশ দিয়ে। এই ৰেখাই মোটামুটিভাৱে ৰাষ্ট্ৰৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব পৰা ৰাজহুৱা শৃংখলাৰ গুৰুতৰ আৰু অতি গুৰুতৰ ব্যাঘাত আৰু তুলনামূলকভাবে কম  তাৎপৰ্যপূৰ্ণ  স্থানীয় অস্থিৰতাৰ মাজত পাৰ্থক্য ৰাখে আৰু এই উদ্দেশ্যে ব্যাঘাত সমূহৰ তীব্ৰতাৰ  মাত্ৰা অনুসৰি  সেই সমূহক বিভিন্ন প্ৰকাৰত  ভাগ কৰা হৈছে।

মন কৰিবলগীয়া কথা এই যে 'দেশদ্ৰোহ' শব্দটো যিটো  খচৰা সমিতিৰ দ্বাৰা প্ৰস্তুত খচৰা সংবিধানৰ  13(2)নং  অনুচ্ছেদত উল্লেখ  কৰা হৈছিল, এই অনুচ্ছেদ অৱশেষত 19 (2) অনুচ্ছেদ হিচাপে গৃহীত হোৱাৰ আগতে শব্দটো আঁতৰাই পেলোৱা হৈছিল। ফেডাৰেল আদালতে প্ৰথমে 'নিহাৰেন্দু দত্ত মজুমদাৰ বনাম ৰজা সম্ৰাট' গোচৰত দেশদ্ৰোহৰ সংজ্ঞা দিছিল এই  বুলি যে  ই হৈছে এনে কাৰ্য্য বা ভাষ্য,  যিয়ে হয় বিশৃংখলতাক  উচটনি দিয়ে অথবা  তেনে অভিপ্ৰায় বা প্ৰৱণতা থাকে, কিন্তু প্ৰিভি কাউন্সিল (Privy Council) এই মতামতত একমত নাছিল আৰু তিলকৰ গোচৰৰ মতামতক সমৰ্থন কৰিছিল।

[1942] F.C.R. 38.

তিলকৰ গোচৰ অনুসৰি দেশদ্ৰোহত চৰকাৰৰ প্ৰতি উত্তেজনাপূৰ্ণ নেতিবাচক অনুভূতি জড়িত হৈ থাকে, কিন্তু ইয়াত বিদ্ৰোহ, বিপ্লৱ বা কোনো প্ৰকৃত অশান্তিৰ উচটনি দিয়া নহয়। ফলস্বৰূপে 13(2) অনুচ্ছেদৰ খচৰাৰ পৰা "দেশদ্ৰোহ" শব্দটো আঁতৰোৱাৰ অৰ্থ এয়ে যে চৰকাৰক সমালোচনা কৰি অসন্তুষ্টি বা নেতিবাচক অনুভূতি সৃষ্টি কৰাটো যথোচিত ভিত্তি নহয় মত প্ৰকাশ আৰু সংবাদ মাধ্যমৰ স্বাধীনতাক বাধা দিয়াৰ বাবে, যদিহে ই ৰাষ্ট্ৰৰ নিৰাপত্তা বা স্থিৰতাৰ প্ৰতি ভাবুকি সৃষ্টি নকৰে। মন কৰিবলগীয়া যে ভাৰতীয় সংবিধানৰ প্ৰণয়নকাৰীসকল আইৰিছ সূত্ৰৰ পক্ষপাতী নহয় যেন পৰিলক্ষিত হয় , যিটো সূত্ৰত আয়াৰৰ সংবিধানত (1937) "ৰাজহুৱা শৃংখলা বা ৰাষ্ট্ৰৰ কৰ্তৃত্বক ক্ষতিগ্ৰস্ত কৰা" বাক্যাংশটো ব্যৱহাৰ কৰা হৈছিল (অনুচ্ছেদ 40(6)(i))। মুক্ত বাক আৰু মত প্ৰকাশৰ অধিকাৰৰ ক্ষেত্ৰত আইনে কি বাধা দিব পাৰে তাৰ ওপৰত অতি কঠোৰ সীমাবদ্ধতা আৰোপ কৰা হৈছে। কাৰণ এইটো সৰ্বজন স্বীকৃত যে বাক স্বাধীনতা আৰু সংবাদ মাধ্যমৰ স্বাধীনতা সকলো গণতান্ত্ৰিক সমাজৰ বাবে মৌলিক। জনপ্ৰিয় চৰকাৰৰ কাম-কাজৰ গুৰুত্বপূৰ্ণ মুকলি ৰাজনৈতিক আলোচনা অবিহনে ৰাজহুৱা শিক্ষা সম্ভৱ নহয়। এনে ব্যাপক পৰিসৰৰ স্বাধীনতাই অপব্যৱহাৰৰ আশংকা বহন কৰে। সংবিধানৰ প্ৰনয়ণকাৰীসকলে হয়তো ফেডাৰেল সংবিধানৰ প্ৰথম সংশোধনীত মূল ভূমিকা গ্ৰহণ কৰা মেডিচনৰ দৰে ভাবিছিল যে “কিছুমান ক্ষতিকাৰক ধাৰণাক আঁতৰাই পেলাবলৈ চেষ্টা কৰি অত্যাৱশ্যকীয় ধাৰণাবোৰ দুৰ্বল কৰাৰ আশংকা লোৱাতকৈ সেইবোৰক প্ৰস্ফুটিত হবলৈ দিয়াটোৱেই বুদ্ধিমানৰ কাম।” [এই ধাৰণাটো ‘নীয়েৰ বনাম মিনেছটা’ গোচৰৰ পৰা উদ্‌ধৃত কৰা হৈছিল(3)]।

সেয়েহে আমি অভিমত পোষণ কৰিছো যে যদিহে বাক আৰু মত প্ৰকাশৰ স্বাধীনতাক বাধা দিয়া আইনখন কেৱল ৰাষ্ট্ৰৰ নিৰাপত্তাক দুৰ্বল কৰা বা

ইয়াক উৎখাত কৰাৰ বিৰুদ্ধে নিৰ্দেশিত নহয়, তেন্তে এনে আইন অনুচ্ছেদ 19-ৰ দফা (2)ৰ অধীনত সংৰক্ষণৰ ভিতৰত পৰিব নোৱাৰে, যদিওবা ই আৰোপ কৰিব বিচৰা প্ৰতিবন্ধকতাবোৰ সাধাৰণতে ৰাজহুৱা শৃংখলাৰ স্বাৰ্থত ধাৰণা কৰা হ'ব পাৰে।

(1) 22 Bom. 112. (21 L.R. 74, I A. 89. (8) 282U.S, 607,
717-8.



ফলস্বৰূপে, ধাৰা 9(1-A), যিয়ে ৰাজহুৱা সুৰক্ষা নিশ্চিত কৰা বা ৰাজহুৱা শৃংখলা বজাই ৰখাৰ বহল উদ্দেশ্যত প্ৰতিবন্ধকতা আৰোপ কৰাৰ কৰ্তৃত্ব প্ৰদান কৰে, দফা (2)ৰ অধীনত নিৰ্ধাৰিত কৰ্তৃত্বশীল সীমাবদ্ধতাৰ পৰিসৰৰ বাহিৰত পৰে আৰু সেয়েহে অকাৰ্য্যকৰী আৰু অসাংবিধানিক। অবশ্যে এই বুলি যুক্তি দিয়া হৈছে যে ধাৰা 9(1-A)ক সম্পূৰ্ণৰূপে অকাৰ্য্যকৰী বুলি গণ্য কৰিব নোৱাৰি, কিয়নো অনুচ্ছেদ 13(1)ৰ অধীনত, মৌলিক অধিকাৰৰ সৈতে অসঙ্গতিপূৰ্ণ বৰ্তমানে বলবৎ আইন এখন কেৱল অসামঞ্জস্যৰ পৰিসৰলৈকেহে অকাৰ্য্যকৰী, তাৰ বাহিৰত নহয়। যিহেতু ৰাজহুৱা সুৰক্ষা নিশ্চিত কৰা আৰু ৰাজহুৱা শৃংখলা বজাই ৰখাৰ লগত ৰাষ্ট্ৰৰ নিৰাপত্তাও জড়িত হৈ থাকে, সেয়েহে বিবাদিত বিধানটো ৰাষ্ট্ৰৰ নিৰাপত্তাৰ ক্ষেত্ৰত প্ৰয়োগ কৰিলে 19 নং অনুচ্ছেদৰ দফা (2)ৰ পৰিসৰৰ ভিতৰত পৰে আৰু ইয়াক বৈধ বুলি গণ্য কৰা উচিত। আমি এই যুক্তিৰ সৈতে একমত হ'ব নোৱাৰো। যেতিয়া কোনো আইনে সাংবিধানিকভাৱে গ্ৰহণযোগ্য আৰু সেই সীমাৰ বাহিৰলৈ যোৱা দুয়োটা কাৰ্য্যকে সামৰি ল'ব পৰাকৈ বহল ভাষাৰে কোনো মৌলিক অধিকাৰৰ ওপৰত বাধা আৰোপ কৰাৰ অনুমতি দিয়ে, তেতিয়া আইনখন বাহাল ৰাখিব নোৱাৰি, আনকি সাংবিধানিক সীমাৰ ভিতৰত পৰা অংশৰবোৰৰ বাবেও, কাৰণ সেই অংশৰবোৰ পৃথক কৰিব নোৱাৰি। যেতিয়ালৈকে এই আইনখন সংবিধানে অনুমতি নিদিয়া উদ্দেশ্যত ব্যৱহাৰ কৰাৰ সম্ভাৱনা আছে, তেতিয়ালৈকে ইয়াক সম্পূৰ্ণ অসাংবিধানিক আৰু

অবৈধ বুলি গণ্য কৰিব লাগিব। অন্য  কথাত, যিহেতু 19 নং অনুচ্ছেদৰ দফা (2)ত ৰাষ্ট্ৰৰ প্ৰতি ভাবুকি আহিলেহে বাক আৰু মত প্ৰকাশৰ স্বাধীনতাৰ ওপৰত বাধা আৰোপ কৰাৰ অনুমতি দিয়া হৈছে,  গতিকে  এনে কোনো ভাবুকি নথকা পৰিস্থিতিত ব্যৱহাৰ কৰিব পৰা আইন এখনক  সম্পূৰ্ণ অসাংবিধানিক আৰু অবৈধ বুলি গণ্য কৰিব লাগিব।

প্ৰাৰ্থনা মঞ্জুৰ কৰা হ'ল, আৰু মাদ্ৰাজ ৰাজ্যত আবেদনকাৰীৰ জাৰ্নেল বিতৰণত বাধা দিয়া প্ৰতিবাদীসকলৰ আদেশ বাতিল কৰা হল।

**ন্যা. ফজল আলী**--- ব্ৰিজ ভূষণ আৰু অন্য  এজন  বনাম ৰাজ্য গোচৰটোত মই দৰ্শোৱা  কাৰণসমূহৰ বাবে,  যিটো গোচৰ কাৰ্যতঃ এই গোচৰৰ সৈতে প্ৰায় একেধৰণৰ বিষয় এটাৰ সৈতে জড়িত, মই এই মত পোষণ কৰো  যে আবেদনকাৰীয়ে বিচৰা সকাহসমূহ মঞ্জুৰ কৰিব নোৱাৰি। এই দৃষ্টিভংগীৰ আলমত মই এই আবেদন নাকচ কৰিম। অৱশ্যে আগৰ গোচৰত উল্লেখ কৰা কথাখিনিৰ পৰিপূৰক হিচাপে কিছু অতিৰিক্ত মন্তব্যও দিব বিচাৰিছো।

605.

604

মোৰ এনে লাগে যে চূড়ান্ত বিশ্লেষণত এই গোচৰত সিদ্ধান্ত ল'বলগীয়া বাস্তৱ প্ৰশ্নটো হ'ল "প্ৰদেশৰ শান্তি আৰু শান্তিৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা বিশৃংখলতা" যিয়ে "জনসাধাৰণৰ সুৰক্ষা"ক প্ৰভাৱিত কৰে, তেনে বিশৃংখলতাই ৰাষ্ট্ৰৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনে নে নানে। মই উৰ্দ্ধ কমাৰ ভিতৰত আৱদ্ধ শব্দবোৰ আইনখনৰ প্ৰস্তাৱনাৰ পৰা  লৈছোঁ, যিয়ে ইয়াৰ পৰিসৰ আৰু প্ৰয়োজনীয়তা দৰ্শায়ছে আৰু আইনখনৰ বৈধতাক প্ৰত্যাহ্বান জনোৱা আমাৰ সন্মুখত উত্থাপিত প্ৰশ্নটো মই পৰামৰ্শ দিয়া ধৰণে প্ৰণয়ন কৰিব লাগিব। যদি মই

বিশ্বাস কৰা ধৰণে প্ৰশ্নটোৰ উত্তৰ ইতিবাচক হয়, তেন্তে ৰাজহুৱা সুৰক্ষা আৰু ৰাজহুৱা শৃংখলা ৰক্ষণাবেক্ষণৰ স্বাৰ্থত "যিকোনো নথি বা নথিপত্ৰৰ শ্ৰেণী"ৰ মাদ্ৰাজ ৰাজ্যত প্ৰৱেশ নিষিদ্ধ কৰা বিবাদিত আইনখনে সংবিধানৰ অনুচ্ছেদ 19 (2)ত নিৰ্ধাৰিত চৰ্তাৱলী পূৰণ কৰিব লাগে। আমাৰ সন্মুখত দাখিল কৰা যুক্তিৰ ভিত্তিত এনে লাগে যেন কোনো নথি যদি দেশদ্ৰোহীতামূলক হয়, তেন্তে ইয়াৰ প্ৰৱেশ বৈধভাৱে নিষিদ্ধ কৰিব পাৰি, কাৰণ দেশদ্ৰোহ ৰাষ্ট্ৰৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা বিষয়। কিন্তু যদিহে নথিখন ৰাজহুৱা শান্তি বিঘ্নিত কৰিবলৈ আৰু ৰাজহুৱা সুৰক্ষা বিপদাপন্ন কৰাৰ বাবে প্ৰস্তুত কৰা হয়, তেন্তে ইয়াৰ প্ৰৱেশত বাধা দিব নোৱাৰি কাৰণ কিয়নো ৰাজহুৱা বিশৃংখলতা আৰু ৰাজহুৱা শান্তি বিঘ্নিত কৰাটো ৰাষ্ট্ৰৰ সুৰক্ষাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা বিষয় নহয়। ব্যক্তিগতভাৱে এই যুক্তিটো বুজিবলৈ মই টান পাইছো। ব্ৰিজ ভূষণ আৰু আন এজন বনাম ৰাজ্য গোচৰত মোৰ পূৰ্বৰ বক্তব্যত মই বিশ্বাসযোগ্য উৎসৰ উল্লেখ কৰি দৰ্শাইছো যে দেশদ্ৰোহক গুৰুতৰ বুলি গণ্য কৰা হয় কাৰণ ইয়াৰ দ্বাৰা অশান্তিৰ সৃষ্টি কৰাৰ প্ৰৱণতা থাকে । আনকি ছাৰ জেমছ ষ্টিফেনৰ দৰে অপৰাধ আইনৰ বিশেষজ্ঞ এজনেও দেশদ্ৰোহক জনশান্তি আৰু শৃংখলাৰ বিৰুদ্ধে অপৰাধ হিচাপে শ্ৰেণীভুক্ত কৰিছে। যদি সেয়াই হয়, তেন্তে দেশদ্ৰোহ কেনেকৈ এনে এটা বিষয় হ'ব পাৰে যিয়ে ৰাষ্ট্ৰৰ নিৰাপত্তাক ক্ষতিগ্ৰস্ত কৰিব, যিক্ষেত্ৰত ৰাজহুৱা বিশৃংখলতা আৰু ৰাজহুৱা সুৰক্ষাৰ প্ৰতি ভাবুকি এনে বিষয় নহয় যিয়ে ৰাষ্ট্ৰৰ নিৰাপত্তাক ক্ষতিগ্ৰস্ত নকৰে? যুক্তি দিয়া হৈছে যে সৰু সৰু দাঙ্গা বা কাজিয়াই ৰাষ্ট্ৰৰ নিৰাপত্তাক ক্ষতিগ্ৰস্ত নকৰে, কিন্তু এই যুক্তিৰ দুটা উত্তৰ আছে :--

(1) এই আইনখন, ইয়াৰ প্ৰস্তাৱনা অনুসৰি, ক্ষুদ্ৰ ক্ষুদ্ৰ বিশৃংখলতাৰ বাবে নহয়, কিন্তু প্ৰদেশখনৰ শান্তি আৰু সেই শান্তিৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা বিশৃংখলতাৰ বাবে।

(2) দেশদ্ৰোহৰ গুৰুত্বৰ মাত্ৰা বেলেগ বেলেগ হ'ব পাৰে, আৰু এজন অগুৰুত্বপূৰ্ণ ব্যক্তিৰ দ্বাৰা লিখা তুলনামূলকভাৱে সৰু-সুৰা দেশদ্ৰোহী লিখনিয়ে এজন সাধাৰণ ব্যক্তিৰ দৃষ্টিত ৰাজ্যৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি সৃষ্টি নকৰিব পাৰে, কিন্তু ই আইনখনৰ উদ্দেশ্য সলনি নকৰে, যিটো হৈছে দেশদ্ৰোহ প্ৰতিহত কৰা।

605

এইবুলি যুক্তি দৰ্শোৱা হৈছে যে আইনখন যিদৰে আছে তেনেদৰে থাকিলে ৰাজ্যৰ কাৰ্যবাহীয়ে ইয়াৰ অপব্যৱহাৰ কৰিব পাৰে, কিন্তু আইনখনৰ অপব্যৱহাৰ এটা কথা আৰু ই অসাংবিধানিক হোৱাটো আন এক কথা। এই বিষয়ত আমাৰ চিন্তা কেৱল পিছৰ দিশটোৰ ওপৰত কেন্দ্ৰীভূত, যিটো হ'ল আইনখনৰ সাংবিধানিকতা। মই এই বিষয়টো আৰু অধিক আলোচনা নকৰো, কিয়নো মই ইতিমধ্যে ইতিমধ্যে ইয়াৰ সৈতে জড়িত গোচৰটোত এই বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিছো।

প্ৰাৰ্থনা মঞ্জুৰ কৰা হ'ল।

আবেদনকাৰীৰ হকে:--কে জে কালে

প্ৰতিবাদীৰ হকে:--এ পি মেহতা

---

অনুবাদকঃ পাৰ্থ প্ৰতীম গোস্বামী

মুখ্য অনুবাদক , অনুবাদ শাখা ,

গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”